**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 10-07**-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
----------------------------

কিছুদিন ধৰি হোৱা ধাৰাসাৰ বৰষুণৰ ফলত হোজাই জিলাত বান পৰিস্থিতি জটিল হৈ পৰিছে। যমুনা নৈৰ বাঢ়নি পানীয়ে ডবকা আৰু যমুনামুখৰ কিছু অংশ পুনৰ বুৰাই পেলাইছে। বানৰ ফলত অঞ্চলটোৰ ৪ শতাধিক পৰিয়াল আবদ্ধ হৈ পৰিছে।

গোলাঘাট জিলাৰ ধনশিৰি আৰু দৈয়াং নৈৰ বাঢ়নি পানীৰ সোঁতে আজি নুমলীগড়ৰ মিঠাআম চাপৰি সংযোগী পথ চিঙি নিয়াৰ ফলত যোগাযোগ বিচ্ছিন্ন হৈছে। ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫ টা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ এলেকা বানৰ কবলত পৰিছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩ টা সাহায্য শিবিৰ মুকলি কৰি প্ৰশাসনে বানত ক্ষতিগ্ৰস্তলৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাত ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানৰ কবলত পৰাৰ বিপৰীতে খুমতাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও বানত ক্ষতিগ্ৰস্ত হৈছে। গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁৱৰ প্ৰায় দুহেজাৰ লোক এই বানৰ কবলত পৰিছে। কালি বোকাখাত আৰু সৰুপথাৰ ৰাজহ চক্ৰৰ দুগৰাকী লোকৰ বানত মৃত্যু হয়।

ধনশিৰি নৈৰ বাঢ়নি পানীয়ে মৰঙিতো এখন কাঠৰ দলং উটুৱাই নিয়ে। ৩ নম্বৰ ভোলাগুৰি আৰু ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ  সাৰৰ গাওঁ সংযোগী এই দলংখন উটুৱাই নিয়াত ভোলাগুৰি অঞ্চলত বহু লোক বানত আৱদ্ধ হৈ পৰিছে।

০০০০০০০

শিশুৰ বৌদ্ধিক উত্তৰণ তথা প্ৰতিভা বিকাশৰ লক্ষ্যৰে অসম প্ৰকাশন পৰিষদে প্ৰথমবাৰৰ বাবে আজিৰ পৰা অহা ২০ জুলাইলৈ গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত গুৱাহাটী শিশু মহোৎসৱৰ আয়োজন কৰিছে। এই মহোৎসৱত শিশু গ্ৰন্থমেলা, সাংস্কৃতিক প্ৰতিযোগিতাকে ধৰি কেইবাটাও কাৰ্যসূচী থাকিব। আজি বিয়লি ৩ বজাত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে এই শিশু মহোৎসৱ উদ্বোধন কৰিব। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট শিশু সাহিত্যিক শান্তনু তামুলী আৰু পশ্চিমবংগৰ বিশিষ্ট লেখক সিজাৰ বাগচি সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। শিশু মহোৎসৱৰ গ্ৰন্থমেলাত ইতিমধ্যে ৩০টা গ্ৰন্থ প্ৰতিষ্ঠানে তেওঁলোকৰ শিশু সাহিত্য সম্ভাৰ লৈ অংশগ্ৰহণ নিশ্চিত কৰিছে বুলি প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই  প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে গুৱাহাটী শিশু মহোৎসৱৰ বিশেষ আকৰ্ষণ হিচাপে প্ৰতিদিনে বিয়লি ৪ বজাত শিশু চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। ৰাছিয়াৰ ছবি **ক্ৰ'মে প্ৰভিনো,** আৰ্মেনিয়াৰ ছবি **দ্যা ছং অৱ ফ্লাইং লিভচ্**কে ধৰি কেইবাখনো দেশী-বিদেশী শিশু চলচ্চিত্ৰ এই মহোৎসৱত প্ৰদৰ্শন কৰা হ'ব।

০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। গোলাঘাট জিলাত এই পৰ্যন্ত ১৬ জন লোক এই ৰোগত আক্ৰান্ত হৈছে। ইয়াৰে বোকাখাত স্বাস্থ্যখণ্ডত দুজন,

কমাৰবন্ধাত ৮ জন, সৰুপথাৰত তিনিজন, মৰঙীত দুজন আৰু মিছামৰা স্বাস্থ্য খণ্ডত এজন লোক জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈছে।

জিলা স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে ইয়াৰে ছজন ৰোগীক গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় আৰু ইয়াৰ ভিতৰত তিনিজন ৰোগী সুস্থ হৈ উঠিছে। আন ৭ জন যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত, এজন ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু এজন যোৰহাটৰ মিছন হাস্পতালত চিকিৎসাধীন হৈ আছে। গোলাঘাট অসামৰিক চিকিৎসালয়ত ছমহীয়া এটি শিশুও এই ৰোগত আক্ৰান্ত হৈ জটিল অৱস্থাত চিকিৎসাধীন হৈ আছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। অৱশ্যে জিলাখনত এতিয়ালৈ এই ৰোগত আক্ৰান্ত কোনো লোকৰ প্ৰাণ হানি হোৱা নাই।

০০০০০০০

পশ্চিম কাৰ্বি আংলঙত কালি সন্ধিয়া পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত দাস উপস্থিত হৈ জিলাখনত চলি থকা প্ৰধানমন্ত্ৰী আবাস যোজনা গৃহৰ কামৰ অগ্ৰগতি সন্দৰ্ভত বিভাগীয় বিষয়াৰ সৈতে আলোচনাত মিলিত হয়। প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত জিলাখনৰ ২৫ হাজাৰ ৯২৯ টা গৃহ আৱণ্টন দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰাৰ লগতে ১৭ হাজাৰ গৃহৰ নিৰ্মাণকাৰ্য সমাপ্ত হৈছে বুলি সাংবাদিকৰ আগত সদৰি কৰে। তদুপৰি অহা ৩০ ছেপ্তেম্বৰৰ পূৰ্বে বাকী থকা গৃহসমূহৰ নিৰ্মাণ সম্পূৰ্ণ হ'ব বুলি তেওঁ সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০০০০

অসমীয়া সংগীত জগতৰ অন্যতম পুৰোধা প্ৰভাত শৰ্মাৰ ওপজা দিনৰ লগত সংগতি ৰাখি আজি সংগীত শিল্পীগৰাকীৰ সোঁৱৰণত মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত প্ৰভাতী পৰশ শীৰ্ষক এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক অনুষ্ঠান দেৱগান্ধাৰৰ উদ্যোগত আৰু ইনলী ফাউণ্ডেশ্যনৰ সহযোগত আয়োজিত এই অনুষ্ঠানত অসমীয়া লোক কলাৰ লগতে ভূপেন্দ্ৰ নাথ হাজৰিকাৰ নাটক **আলাপ** পৰিৱেশন কৰা হ'ব। নাটকখনৰ পৰিচালনা ঝুনাকংকন ভূঞাৰ।

০০০০০০

**সমাপ্ত**